BA-HC - 3rd sem.

১) প্ৰতীকবাদ বুলিলে কি বুজা? কবিতাত প্ৰতীকবাদৰ বিষয়ে এটি আলোচনা কৰা।

প্ৰতীকবাদ :-

উত্তৰ: প্ৰতীকবাদৰ পথিকৃত হ'ল চাৰ্লচ বোডেলেয়াৰ। তেওঁ ফ্ৰান্সৰ অগ্ৰবাদী পণ্ডিত। তেওঁৰ মতে বহিঃ বিশ্ব হ'ল এক ৰহস্যময় সত্যৰ ব্যঞ্জনা। মূলতঃ মানুহৰ ইন্দ্ৰিয়ই লাভ কৰা ধাৰণাসমূহৰ আকৃতি আৰু প্ৰকৃতি বেলেগ বেলেগ হ'লেও সিহঁতৰ মৌলিক চৰিত্ৰ একেটা। কবিসকলে ইন্দ্ৰিয়গ্ৰাহ্য বিষয় সমূহক উপমা হিচাপে লৈ ইন্দ্ৰিয়গ্ৰাহ্য জগতৰ আঁৰত থকা প্ৰকৃত জগতখনক দাঙি ধৰিবলৈ যত্ন কৰিব লাগে। বোডেলেয়াৰৰ এই ঘোষণাই কবিতা সম্পৰ্কে তেওঁৰ আৰু তেওঁৰ সতীৰ্থ সকলৰ নতুন ধাৰণা প্ৰকাশ কৰে।

সংবেদন কল্পনা আৰু শব্দৰে এটা সাংগীতিক ব্যঞ্জনাই মানুহৰ ইন্দ্ৰিয়জ অভিজ্ঞতাক বুজাব পাৰে। এনে সাংগীতিক ব্যঞ্জনাৰ সৃষ্টিৰ বাবে গঢ়ি তোলা আন্দোলনটোৱেই প্ৰতীকবাদী আন্দোলন। কবিতাত ব্যৱহৃত প্ৰতীক একোটা একোটা ধাৰণাৰ কল্প ৰূপ। বহল অৰ্থত চিত্ৰকল্প বিলাকো প্ৰতীক। যি বোৰ বিষয় গোপন-পৰোক্ষকে বুজাব নোৱাৰি তাত প্ৰতীকী শব্দ বা পৰিভাষাৰে বুজোৱা হয়। প্ৰতীকবাদী কবিসকল বাস্তৱ জীৱনৰ পৰা বিচ্ছিন্ন। তেওঁলোক কবিতাৰ কলা-কৈৱল্য বাদী চৰিত্ৰত বিশ্বাসী এক প্ৰকাৰৰ আধুনিক ৰোমান্টিক কবিতাৰ প্ৰতিভূ।

আধুনিক অসমীয়া কবিতাৰ আঙ্গিকৰ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল প্ৰতীকৰ বহল প্ৰয়োগ। এইটো সত্য যে আধুনিক অসমীয়া কবিতাত প্ৰতীকবাদী কোনো কাব্য আন্দোলন আৰম্ভ হোৱা নাই। ১৯ শতিকাৰ শেষ দশকত ফ্ৰান্সত আৰম্ভ হোৱা প্ৰতীকবাদী আন্দোলনটোৱেই ইউৰোপ আমেৰিকাৰ লগতে সমগ্ৰ বিশ্বতে বিয়পি পৰে।

শিপীতা

আধুনিক অসমীয়া কাব্য সাহিত্যত বোড়িজোগ কৰিছে তেওঁলোকৰ কবিতাৰ মাজত প্ৰতীকৰ ব্যৱহাৰ কৰি প্ৰতীকী ব্যঞ্জনাৰে কবিতাসমূহ সমৃদ্ধ কৰিছে। কবিতাত প্ৰতীক সম্পৰ্কে ইমদাদ উল্লাহ আনন্দৰে কৈছে— "কবিয়ে প্ৰয়োগ কৰা কোনো শব্দই যেতিয়া তাৰ আভিধানিক নাইবা স্বীকৃত অৰ্থ অতিক্ৰম কৰি বিভিন্ন ভাবানুষংগৰ ফলত কচ্ছতাত ব্যঞ্জনা বহন কৰে— তেতিয়া সেই শব্দকে আমি প্ৰতীক বুলি কওঁ"।

প্ৰতীকৰ সুন্দৰ ব্যৱহাৰেৰে কবিতাক আকৰ্ষণীয় কৰি গঢ় দিবলৈ সক্ষম হোৱা আধুনিক অসমীয়া কাব্য সাহিত্যৰ অন্যতম কবিজনা হ'ল নবকান্ত বৰুৱা। তেওঁৰ প্ৰিয় প্ৰতীক বিলাক ভিতৰত অন্যতম হ'ল "আকাশ" — যি আকাশ তেওঁৰ কাৰণে মুক্ত, বৃহত্তৰ জীৱন নাইবা প্ৰতীক স্বৰূপ। 'মহাকাব্যৰ পাণ্ডুলিপি' "এটা প্ৰেমৰ পদ্য" আৰু 'আশ্ৰমী' : আকাশৰ প্ৰতি নিৰ্বিকাৰে। এই তিনিটা কবিতাত কবিয়ে আকাশক প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছে। উদাহৰণ—

ক)

আজি মোৰ আকাশ বহল
মহাকাব্যৰ পাণ্ডুলিপি।
(মহাকা

খ) অৰুন্ধতী
বহুতো আকাশ পাৰ হৈ অহা
বুমুহা লগাৰে এটি লক্ষ্য,
(এটি প্ৰেমৰ পদ্য)

(গ) আকাশ,
তোমাৰ নীল ৰঙ মোৰ ব্যঞ্জনাৰে
.......
(আশ্ৰমী: আকাশৰ প্ৰতি নিৰ্বিকাৰে)
ত্ৰিশিলাত

চিত্ৰকল্পবাদ :- কবিতাত চিত্ৰকল্পৰ ব্যৱহাৰ মৌলিক সাহিত্যৰ প্ৰদিনৰ পৰা হৈ আহিছে যদিও সেয়া উপমা আদি অলংকাৰৰ দ্বাৰাই ব্যৱহৃত হৈ আহিছিল আধুনিক কবিতাত চিত্ৰকল্পৰ মাজত এটা পূৰ্ণ ছবি পোৱা যায়।

কবিতাৰ অন্যান্য উপাদানতকৈ কেৱল চিত্ৰকল্পৰ আধাৰত কাব্যৰ বিষয়ক স্পষ্ট কৰি তোলাত আৰু বৈপৰীত্যৰ পটভূমিত কঠিনতাৰে ৰূপায়ন কৰাৰ কাৰণে) আন্দোলন সেয়েই হ'ল চিত্ৰকল্পবাদ ১৯০৯ চনৰ পৰা ১৯১৭ চনৰ ভিতৰত কেইজনমান ইংৰাজ আৰু আমেৰিকান কবিয়ে এই আন্দোলন গঢ়ি তুলিছিল। দৰাচলতে ৰমন্যাস বাদৰ অতি-সহ্যৰ বিৰুদ্ধে এই আন্দোলন গঢ়ি তোলা হৈছিল। টি. ই. হিউম এজৰা পাউণ্ড আদিয়ে এই আন্দোলনৰ ওৰি ধৰিছিল।

চিত্ৰকল্পবাদী আন্দোলনটোৱে কল্পনাশক্তিৰ চিন্তাময় ৰূপৰ স্পষ্টতাৰ ওপৰতে অধিক গুৰুত্ব দিছিল। ১৯১৮ চনৰ পিছত চিত্ৰকল্পবাদী আন্দোলনটোৰ প্ৰভাৱ লাহে লাহে নাইকীয়া হৈছিল।

অসমীয়া কবিতাত চিত্ৰকল্পৰ প্ৰয়োগ :- আধুনিক অসমীয়া কবিতাৰ আংগিকৰ অন্যতম বৈশিষ্ট্য হ'ল চিত্ৰকল্পৰ প্ৰয়োগ। কবি সাহিত্যিকৰে আপোনজগতত হুলস্থুল সৰ্বকৰ্ম কৰিয়ে আৰম্ভ কৰা চিত্ৰকল্পবাদী আন্দোলনে অসমীয়া কবি সকলকো প্ৰভাৱিত কৰিছে। আধুনিক অসমীয়া কবিৰ কবিতাত চিত্ৰকল্পবাদী নীতিৰ প্ৰতিফলন দেখিবলৈ পোৱা যায়। চিত্ৰকল্পবাদী কবিসকলৰ মূল লক্ষ্য আছিল আড়ম্বৰিক সুৰৰ সলনি সংগীতময় শব্দ সমষ্টি ব্যৱহাৰ কৰা আৰু প্ৰকাশভংগী সিমান দূৰ সম্ভৱ দৃঢ়, সংযত আৰু সুনিশ্চিত কৰি তোলা।

কবি অমূল্য বৰুৱাই চল্লিশৰ দশকতে তেওঁৰ

বুদ্ধিদীপ্ত

অন্যতম সৃষ্টি "আন্ধাৰৰ হুহুংকাৰ" কবিতাটিত চিত্ৰকল্পৰ ব্যৱহাৰ কৰিছে। কবিতাটিত ব্যৱহাৰ কৰা এটি অন্যতম চিত্ৰকল্পই কবিতাটিক ৰমণীয় কৰি তুলিছে।

আকাশৰ সংগোপনৰ
অকল জোনেই নহয়
থাকী-থাকী নক্ষত্ৰৰ আলোক উৎস
সজায়ে দিলিলা যেন
সৰ্বব্যাপ্ত মহাদিগন্তৰ
ৰক্তে ৰক্তে।
(আন্ধাৰৰ সপোন)

চল্লিশৰ দশকৰ অগ্ৰগণ্য কবি হেম বৰুৱাৰ কবিতাৰ আংগিকৰ অন্যতম বৈশিষ্ট্য হল চিত্ৰকল্প। 'জোৱাৰ দিনৰ সপোন' কবিতাটিত সুন্দৰ সাক্ষ্য চিত্ৰৰ স্পন্দন ফুটি উঠিছে। —

"অসম নিশাৰ অপৰিচিত পাল্লৰ দাৰে
থাৰে থাৰে পৃথিৱী কঁপিছে"।
(জোৱাৰ দিনৰ সপোন)

নৱকান্ত বৰুৱা, কেশৱ মহন্ত, মহেন্দ্ৰ বৰা, হীৰেন ভট্টাচাৰ্য, নীলমণি ফুকন, ৰবীন্দ্ৰ চৰকাৰ, সমীৰ তাঁতী আদি আধুনিক কাব্য সাহিত্যৰ অন্যতম চিত্ৰকল্পবাদী কবি।

—०—

Dimbeswar Barman
Associate Professor, Deptt of Assamese